# অৱতৰণিকা

আধুনিক সাহিত্যৰ ধাৰাত চুটিগল্প এক নতুন সংযোজন। চুটিগল্প হৈছে জীৱন চেতনাৰ সজ্ঞান আৰু সুকৌশলেৰে প্ৰয়োগ কৰা এবিধ অভিনৱ সাহিত্য শৈলী। যদিও চুটিগল্প আধুনিক যুগৰ সৃষ্টি, ইয়াৰ উদ্ভৱৰ ইতিহাস অতি প্ৰাচীন। মৌখিক সাধুকথা বা ৰূপকথাৰ পৰাই ক্ৰম বিকশিত হৈ চুটিগল্পই ন ৰূপ লয়। ভাষাই লিখিত ৰূপ পোৱাৰ বহু আগৰে পৰাই পৃথিৱীৰ বিভিন্ন দেশত সাধুকথাৰ সৃষ্টি হৈছিল আৰু সেইবোৰেই আছিল মানুহৰ পাৰিবাৰিক জীৱনৰ মনোৰঞ্জনৰ আহিলা। সাধুকথা তথা প্ৰাচীন কথা সাহিত্যত চহকী দেশবোৰৰ ভিতৰত অন্যতম হৈছে ভাৰতবৰ্ষ, গ্ৰীচ, পাৰস্য, আৰু আৰৱ অন্যতম আছিল। ভাৰতবৰ্ষ হৈছে কথা সাহিত্য বা সাধুকথাত আদিত চহকী দেশ। প্ৰাচীন কালৰ পৰাই যে কথা সাহিত্য বা কাহিনীৰ প্ৰচলন আছিল সেই কথা বিভিন্ন পণ্ডিতৰ মতবাদত পোৱা যায় -

> "ঋকবেদ, সংহিতা, ব্ৰাহ্মণ, উপনিষদ, ৰামায়ণ, মহাভাৰত, পুৰাণ, জাতক, বৃহৎকথা, কথাসৰিৎ সাগৰ, দশকুমাৰ চৰিত, হিতোপদেশ, পঞ্চতন্ত্ৰ আদিৰ কাল্পনিক কাহিনীৰে প্ৰাচীন ভাৰতবৰ্ষ সমৃদ্ধ। ভাৰতীয় সাহিত্যৰ এনে সমৃদ্ধ আৰু বিস্তৃতৰূপ দেখিয়েই অনেক পাশ্চাত্য পণ্ডিতে ভাৰতবৰ্ষক "Original home of all those tales" বুলি ক'ব খোজে।"[১]

গ্ৰীচ ৰোমৰ ৰোমাঞ্চ সাহিত্য আৰু হোমাৰৰ *'ইলিয়াড ওডিচি'*তো আধুনিক চুটিগল্পৰ আভাস পোৱা যায়। ইলিয়াড ওডিচি, আৰু ৰোমাঞ্চ সাহিত্যবোৰেই ইউৰোপীয় নাটক বা কবিতাৰ আদি জননী। সৌন্দৰ্যৰ মাধুৰতা, ৰোমাঞ্চৰ মাদকতাৰ উপৰিও গ্ৰীক ৰোমৰ কাহিনীৰ অন্যতম বৈশিষ্ট্য হ'ল মানৱতাবাদ। চতুৰ্দশ শতিকাত ইটালীত মানৱতাৰ উদ্বোধন ঘটি নৱ জাগৰণৰ সৃষ্টি হ'ল, সেই জাগৰণ গ্ৰীচ ৰোমৰ কাহিনীসমূহে প্ৰভাৱিত কৰিব পৰা অন্যতম কাৰণ আছিল।

ইউৰোপীয় কথা-সাহিত্যৰ বিকাশত *'The Holy Bible'* ৰ পৰা সংগৃহীত *'Old Testament'* এ যথেষ্ট অৰিহণা যোগাইছিল। মানুহৰ বাস্তৱিক জীৱনৰ লগত সম্পৰ্ক থকা কাহিনীৰে সমৃদ্ধ *'Old Testament'* ৰ কাহিনীবোৰে যথেষ্ট সমাদৰ লাভ কৰিছিল। আধুনিক চুটিগল্পৰ বিকাশতো *'Old Testament'* য়ে যথেষ্ট অৰিহণা যোগাইছে।

ৰোমাঞ্চৰ ভিত্তিত পোন্ধৰটা সৰু সৰু খণ্ডত *'অভিডে'* ৰচনা কৰা *'Metamor Phoses'* ত সন্নিৱিষ্ট কাহিনী সমূহ মানৱীয় অনুভূতিৰে সমৃদ্ধ হৈ আধুনিকতম সাহিত্য শিল্প হিচাবে প্ৰতিষ্ঠিত হ'ল।

পৰৱৰ্তী কালত লেটিন ভাষাৰ *'Gesta'* ত ধৰ্ম আৰু নীতিমূলক কাহিনীৰ সংগ্ৰহে যথেষ্ট জনপ্ৰিয়তা লাভ কৰিছিল। সমসাময়িক কালত ইটালীৰ চুটি কাহিনী বা গল্পৰ সংগ্ৰহ *'Le Conte Novelle, Dal Novellino'* আদি গ্ৰন্থই আধুনিক চুটি গল্পৰ বিকাশ খৰতকীয়া কৰি তোলে। ইটালী সাহিত্যত ইতিমধ্যে বাস্তৱতাৰ ওপৰত সাহিত্য ৰচনা হ'বলৈ ধৰে। চুটিগল্পইও বাস্তৱতাৰে এক নতুন ৰূপ লাভ কৰে ।

> 'বাস্তৱ জীৱনৰ পটভূমিত ৰচিত ইটালীয় *Novella* ৰ পৰম্পৰাক বিশেষ ভাৱে আগবঢ়াই নিয়ে তিনিগৰাকী প্ৰখ্যাত সাহিত্যিকে৷ তেওঁলোক হ'ল ইটালীৰ গিয়োভানি বোক্কাচিয়ো (১৩১৩-১৩৭৫ খৃঃ), ইংলেণ্ডৰ জিয়োফ্ৰ ছ'ছাৰ (১৩৪৫-১৪০০ খৃঃ), আৰু ফ্ৰান্সৰ-ফ্ৰাঁছোবা ৰাৱেল।[২]

উক্ত তিনিজনৰ হাততেই গল্প সাহিত্যই এক নতুন ৰূপত গঢ় লয়।

প্ৰতিদিনে দহটাকৈ গল্প লিখি দহ দিনত এশটা গল্প ৰচনা কৰা গিয়োভানি বোক্কাচিয়োৰ যুগমীয়া কীৰ্তি *'ডেকামেৰোন'* (Dekameron) নামৰ গ্ৰন্থখনে এক নৱজাগৰণৰ সৃষ্টি কৰিলে। এই গ্ৰন্থত অতিলৌকিক কথাবোৰ বাদ দি মানুহৰ সুখ, দুখ, প্ৰেম, প্ৰতাৰণা, আত্মত্যাগ, ভণ্ডামি ইত্যাদিক স্থান দিয়া হ'ল— এই গ্ৰন্থৰ যোগেদিয়েই তেওঁ মানৱতাবাদী শিল্পী হিচাপে প্ৰতিষ্ঠিত হ'ল। মধ্যযুগীয় ৰোমাঞ্চৰ আধাৰত ৰচিত *'ডেকামেৰোন'*ৰ গল্প সমূহ আধুনিক চুটি গল্পৰ সমধৰ্মী নহ'লেও তাৰ বহুখিনি ওচৰ চপা।

বোক্কাচিয়োৰ পাছত জিয়োফ্ৰে ছছাৰৰ হাতত পুৰণি কথা সাহিত্যই আৰু অধিক বিকাশ লাভ কৰিলে। তেওঁৰ *'কেন্টাৰবাৰী' টেইলছ'* গ্ৰন্থৰ গল্পসমূহত সমকালীন সমাজৰ উচ্চ-নীচ, ধনী-দুখীয়া, পুৰুষ-নাৰী আদি সকলো শ্ৰেণীৰ চৰিত্ৰই জীৱন্ত ৰূপ লাভ কৰিলে। চৰিত্ৰসমূহৰ মনস্তাত্ত্বিক বিশ্লেষণো হ'ল।

ছছাৰৰ পিছত ফৰাচী কথা সাহিত্যিক ফ্ৰাছোৱে ৰাৱেলৰ চাৰিটা খণ্ডত ৰচিত *'Gargantua it pante gruel'* গ্ৰন্থৰ মাজেদি পুৰণি কাহিনীবোৰ নতুন ৰূপত উজলি উঠিল। ব্যংগ-কৌতুকৰ জৰিয়তে সমাজসমালোচনা এওঁৰ গল্পৰ বিশেষ বিশেষত্ব। আধুনিক ইউৰোপীয় কথা সাহিত্যৰ তিনিটা প্ৰধান উপাদান ক্ৰমে কাহিনী বিন্যাস, চৰিত্ৰ সৃষ্টি আৰু বাগবৈদগ্ধ্যই

ক্রমে বোক্কাচিয়ো, ছ'ছাৰ আৰু ৰাৱেলৰ ৰচনাৰ মাজেৰে প্ৰকাশ লাভ কৰি আধুনিক চুটিগল্পৰ আধাৰ নিৰ্মাণ কৰে।

পশ্চিমীয়া জগতত চুটিগল্পৰ উদ্ভৱত প্ৰধানকৈ বৰঙণি যোগায় সেই দেশবোৰৰ সাময়িক পত্ৰিকাৰ প্ৰচলন আৰু বিস্তাৰৰ জৰিয়তে। ঊনবিংশ শতিকাৰ আৰম্ভণিৰ পৰাই শিক্ষাৰ প্ৰসাৰ হোৱাত সেইবোৰ দেশত সাময়িক পত্ৰৰ প্ৰচলন বৃদ্ধি পাবলৈ ধৰিলে। আমেৰিকা, ৰুছ, বা ইংলেণ্ডৰ প্ৰথম ভাগৰ গল্প লেখকসকলৰ বহুতেই এনে সাময়িক পত্ৰিকাৰ লগত জড়িত আছিল। এনে সাময়িক পত্ৰিকাই চুটিগল্পৰ উদ্ভৱত বিশেষ অৰিহণা যোগায়। পিছত লাহে লাহে এইবিধ সাহিত্যই জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হয়। বিশেষকৈ উপন্যাসৰ দৰে দীঘল কাহিনী আলোচনীত প্ৰকাশ কৰিবলৈ অসুবিধাৰ বাবেই আলোচনীৰ উপযোগীকৈ একপ্ৰকাৰ চুটি অথচ স্বয়ংসম্পূৰ্ণ কাহিনীৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰাৰ ফলস্বৰূপেই চুটিগল্পৰ জন্ম সম্ভৱ হৈ উঠে। তদুপৰি আধুনিক ব্যস্ততাপূৰ্ণ মানৱজীৱনৰ বাবে দীঘলীয়া কাহিনীযুক্ত সাহিত্য লাহে লাহে এলাগী হৈ পৰিল আৰু চুটিগল্পৰ দৰে সৰু চুটি চুটি কাহিনী যুক্ত সাহিত্যৰ আদৰ বাঢ়ি আহিবলৈ ধৰিলে।

চুটিগল্পই আধুনিক ৰূপত গঢ় লৈ উঠে ঊনবিংশ শতিকাতহে। মধ্যযুগীয় ৰোমাঞ্চধৰ্মী গল্পই ঊনবিংশ শতিকাত চুটিগল্পৰূপে আত্মপ্ৰকাশ কৰাৰ প্ৰধান কাৰণ হ'ল ঊনবিংশ শতিকাৰ অতৃপ্ত, দ্বন্দ্ব-জৰ্জৰ অৰ্ন্তমুখী মানসিকতা সমগ্ৰ ইউৰোপৰ বাবেই এক নৱজাগৰণৰ সময়। এইখিনি সময়তেই বিশ্ব সাহিত্য জগতত এক আমূল পৰিৱৰ্তন ঘটে। অষ্টাদশ শতিকাৰ শেষৰ ফালে ৰাজনৈতিক স্বাধীনতাৰ বাবে হোৱা আমেৰিকান বিপ্লৱেও (১৭৭৭-১৭৮৩) আমেৰিকাৰ চিন্তা জগতত আলোড়ন সৃষ্টি কৰে। এইখিনি সময়তে আকৌ নিউটন, ডাৰউইন, ভলটেয়াৰ, আইনষ্টাইন, ৰুছো আদি বিশ্ববৰেণ্য বিজ্ঞানীসকলে আবিষ্কাৰ কৰা বিভিন্ন বৈজ্ঞানিক তত্ত্বয়ো জগত আৰু জীৱন সম্পৰ্কে মানুহৰ দৃষ্টিভংগী সলনি কৰাত ইন্ধন যোগায়। ঊনবিংশ শতিকাত ইউৰোপীয় আৰু আমেৰিকান চুটিগল্পই দ্ৰুত বিকাশ আৰু প্ৰসাৰ লাভ কৰাৰ দ্বিতীয়টো কাৰণ হ'ল পৃথিৱীৰ বিভিন্ন দেশৰ পৰা ওলোৱা সাময়িক পত্ৰিকা আৰু আলোচনীসমূহ। আমেৰিকান সাহিত্যত পত্ৰিকা আলোচনীৰ জৰিয়তে চুটি গল্পই প্ৰসাৰ লাভ কৰিছিল।

> 'আমেৰিকাৰ ভালেকেইখন আলোচনীয়ে বিশেষকৈ-গ্ৰাহামছ মেগাজিন, হাপাৰচ মেগাজিন, পুটনামছ মেগাজিন, আটলাণ্টিক মেগাজিন আদিয়ে চুটিগল্পৰ বাবেই প্ৰসাৰ লাভ কৰিছিল। এডগাৰ এলেন পোৱে চুটিগল্পক "আমেৰিকান আলোচনীৰ সন্তান" বুলি কৈছিল।'[৩]

হেনৰি জেমছ, মোপাঁচা, চেকভ আদিয়ে পত্রিকাৰ প্ৰয়োজনত গল্প লিখাৰ লগতে ব্যক্তিগত খৰছো উলিয়াইছিল।

চুটি গল্পৰ ইতিহাস চাবলৈ গলে প্ৰথমে আমেৰিকান সাহিত্যলৈ চাব লাগিব। কাৰণ চুটিগল্পৰ লগত আমেৰিকান সাহিত্যৰ এক বিশেষ সম্পৰ্ক আছে। বিভিন্ন সমালোচকে কৈছে যে -

> 'আমেৰিকান সাহিত্যই প্ৰথম চুটিগল্পৰ বাটকটীয়া। ওৱাচিংটন আৰভিং (১৭৮৩-১৮৫৯)
> আমেৰিকাৰ সাহিত্যত চুটিগল্পৰ এগৰাকী বাটকটীয়া।'[৪]

ছাত্ৰজীৱনত আৰভিঙে ইউৰোপৰ বিভিন্ন দেশ পৰিভ্ৰমণ কৰি লাভ কৰা অভিজ্ঞতাৰ লিপিবদ্ধ ৰূপ তেওঁৰ দ্বাৰা প্ৰকাশিত *'Sketeh Book'* (১৯১৯ খৃঃত) ৰ খণ্ডবোৰ আলোচনীৰ যোগেদি প্ৰকাশিত হৈ ক্ৰমান্বয়ে জনপ্ৰিয় হৈ উঠে। *ব্ৰেচব্ৰিজ হ'ল (Brace Bridge Hall)* নামৰ তেওঁৰ এক সংকলনতে *'Ripvan Winkle'* আৰু *'The Legend of Sleepy Hallow'*ৰ দৰে বিখ্যাত চুটিগল্প প্ৰকাশ হৈ সাহিত্য জগতত চুটিগল্পৰ লাইখুটা পোতে।

আমেৰিকাৰ আন এগৰাকী বিখ্যাত চুটি গল্পকাৰ হ'ল এডগাৰ এলেন পো (১৮০৯-১৮৯৪)। ১৯৩৮ খৃঃত তেওঁৰ গল্প পুথি *'Tales of the Grotesque and sralesque'* প্ৰকাশ পায়। ১৮৪৩ চনত এলেন পোৰ *'The Gold Bug'* নামৰ গল্পটো প্ৰকাশ পোৱাৰ লগে লগেই তেওঁ বিখ্যাত হৈ পৰে।

নিকলাই ভেছিলিভিছ গগল (১৮০৯-১৮৫২) ৰুছ সাহিত্যৰ আন এগৰাকী বিখ্যাত গল্পকাৰ। তেওঁ ৰচনা কৰা *'Evenings on a farm near Dikanka'* নামেৰে দুটা খণ্ডৰ গল্প সংগ্ৰহ এটি প্ৰকাশ হোৱাৰ পিছতেই তেওঁৰ খ্যাতি চাৰিও দিশে বিয়পি পৰে। গগলৰ বিখ্যাত চুটিগল্প *"The Over Coat"* গোটেই বিশ্বজুৰি সমাদৰ লাভ কৰিছিল।

ৰুছ সাহিত্যৰ আন দুগৰাকী বিখ্যাত গল্পকাৰ হ'ল টুৰ্গেনিভ (১৮১৮-১৮৮৩) আৰু চেকভ (১৮৬০-১৯০৪)। টুৰ্গেনিভৰ *'Sportsman Sketches'* চুটিগল্পৰ পুথি। ইয়াৰ উপৰিও *'The Lear of the sleppes'* আৰু *'First Love'* তেওঁৰ বিখ্যাত চুটিগল্প। চেকভেওঁ *'New Times'* নামৰ কাকতখনৰ সম্পাদকৰ আহ্বানত চুটিগল্প লিখিবলৈ লয়। চেকভৰ গল্পত চৰিত্ৰৰ ক্ৰিয়া প্ৰক্ৰিয়াৰ যোগেদি আধুনিকতাৰ অন্যতম উপাদান ইম্প্ৰেছনিজমৰ প্ৰকাশ ঘটে। তেওঁৰ *Goose berries* গল্পত এই শৈলীৰ সুন্দৰ প্ৰকাশ ঘটিছে। ৰুছ সাহিত্যৰ আন এজন গল্পকাৰ হ'ল—টলষ্টয় (১৮২৮-১৯১০) এৰো ৰাছিয়াৰ গল্প-সাহিত্য সমৃদ্ধ কৰে। তেওঁলোকৰ পিছত ৰুছ সাহিত্যৰ আন এগৰাকী উল্লেখযোগ্য গল্পকাৰ হ'ল মেক্সিম গৰ্কী। তেওঁ এগৰাকী সাৰ্থক মানৱতাবাদী গল্পকাৰ।

অষ্টাদশ শতিকাৰ শেষৰ ফালে জাৰ্মানীত কেইজনমান গল্পকাৰে চুটিগল্পৰ দুৱাৰ মুকলি কৰে। তেওঁলোক হ'ল মহাকবি গ্যেটে, পো, ছিলাৰ আৰু হফমেন। ঊনবিংশ শতিকাত হেনৰিখ হাইন, ডব্লিউ ষ্টৰ্ম, চুডাৰমেন আদি জাৰ্মান লেখকৰ গল্পই এক নতুন ৰূপ গ্ৰহণ কৰে। এই জাৰ্মান গল্পকাৰৰ গল্পবোৰত মোপাছাৰ প্ৰভাৰ মন কৰিবলগীয়া।

ইংৰাজী সাহিত্যতো বহুতো গল্পকাৰ পাও যদিও বিভিন্ন সমালোচকে কিপলিঙক শ্ৰেষ্ঠ গল্পকাৰ হিচাপে আখ্যা দিছে -

> 'ইংৰাজী সাহিত্যত ঊনবিংশ শতিকাৰ আন এজন গল্পকাৰ বাড ইমাৰ্ড কিপলিঙৰ (১৮৬৫-১৯৩০) নাম ল'ব লাগিব। বহুতে তেওঁক শ্ৰেষ্ঠ বুলি ক'ব খোজে।'[৫]

কিপলিঙে নিজৰ জীৱন কালত দুখন যুদ্ধই সৃষ্টি কৰা অৱস্থাৰ অভিজ্ঞতা লাভ কৰিছিল। এখন দক্ষিণ আফ্ৰিকাৰ ব'ৰ *(Boer)* যুদ্ধ, আনখন প্ৰথম বিশ্বযুদ্ধ, তেওঁৰ গল্পত বিভিন্ন ধৰণৰ বিষয়বস্তু আৰু বিভিন্ন ধৰণৰ পৰিৱেশে স্থান লাভ কৰিছিল। পূৰ্ব জন্মবাদৰ প্ৰতিফলনো তেওঁৰ গল্পত দেখা যায়।

ফৰাচী সাহিত্যৰ চুটিগল্পৰ বিষয়ে আলোচনা কৰিলে মোঁপাছাৰ নাম ল'বই লাগিব। মোপাছাই প্ৰথমে কবিতা ৰচনা কৰিছিল যদিও পিছলৈ কবিতাৰ ক্ষেত্ৰখন ত্যাগ কৰি চুটিগল্প ৰচনা কৰিবলৈ লয়। ১৮৮০-৯০ লৈ প্ৰায় ত্ৰিশখনতকৈ অধিক গ্ৰন্থ প্ৰকাশ কৰে। এইবিলাকৰ ভিতৰত অৱশ্যে চুটিগল্পৰ বাহিৰেও ভ্ৰমণটোকা, উপন্যাস, নাটক আদিও আছিল। চুটিগল্প ৰচনাত মোঁপাচাই যি শিল্প কৌশল প্ৰয়োগ কৰিছিল সেয়া এনেকৈ সফল হৈ উঠিছিল যে ইংৰাজ আৰু ফৰাচী লেখকসকলে তেওঁৰ নীতিকেই বহুক্ষেত্ৰত অনুসৰণ কৰিছিল।

তেওঁৰ ৰচনাসমূহ অইন লিখক সকলতকৈ অলপ পৃথক কৰাৰ চেষ্টা কৰিছিল। এই ক্ষেত্ৰত তেওঁ নিজেই বৰ্ণনা কৰিছে -

> 'মোঁপাছাই নিজকে এজন সম্পূৰ্ণ ৰূপে *'Naturalist'* লেখক বুলি কৈ গৈছে।'[৬]

তেওঁ নিজে দেখা পৃথিৱীখন আৰু মানুহৰ জীৱনৰ কথা অতিশয় মুক্তভাৱে বৰ্ণনা কৰি গৈছিল। স্বাভাৱিকবাদ *(Naturalism)* ৰ আদৰ্শ আৰু নীতি গ্ৰহণ কৰা অন্য বহু লেখকৰ দৰে মোঁপাছাৰ সাহিত্যত নিৰাশাবাদৰ পৰিৱেশ ফুটি উঠা দেখা যায়।

ইংৰাজী সাহিত্য ঊনবিংশ শতিকাৰ শেষ ভাগ আৰু বিংশ শতিকাৰ আদি ভাগৰ আন এজন লেখত ল'বলগীয়া গল্পকাৰ হ'ল—চমাৰচেট-মম (১৮৭৮-১৯৬৫)। প্ৰথমে উপন্যাস লিখাত হাত দিছিল যদিও পিছলৈ তেওঁ গল্প ৰচনা কৰিবলৈ লয়। মমৰ গল্পবোৰৰ নতুনত্বই

শ্ৰোতাক আকৰ্ষিত কৰে। মানৱ জীৱনত লঘু আৰু নিৰাশাজনক দিশৰ পৰিশ্ৰম ঘটা মমৰ গল্পবোৰৰ প্ৰতি মানুহৰ অতিশয় আগ্ৰহ দেখা যায়। তেওঁৰ গল্পত বিশেষ বাৰ্তা নাথাকিলেও গল্পৰ নতুনত্বই হৈছে  সেই গল্পসমূহৰ আৰ্কষণৰ কেন্দ্ৰবিন্দু। এই বিষয়ে লীলাৱতী শইকীয়া বৰাই *'ভাষা সাহিত্য বিচিত্ৰা'*ত কৈছে যে –

> 'মমৰ গল্প সমূহত মানৱ জীৱনৰ লঘু আৰু নিৰাশ জনক দিশটো ফুটি উঠা দেখা যায়। সেয়ে তেওঁৰ এই বাস্তৱবাদৰ ওপৰত প্ৰতিষ্ঠিত গল্পবোৰৰ প্ৰতি মানুহৰ আগ্ৰহ বাঢ়ি যায়। তেওঁৰ গল্পত বিশেষ 'Massage' নাথাকিলেও তেওঁৰ গল্পই এক নতুন ৰূপ লয় ইম্প্ৰেছনিজম ধাৰাৰ বাহিৰত থাকিও ভালেমান গল্পকাৰ পৰিপূৰ্ণ কলালৈ গল্পৰ উত্তৰণ ঘটায়। তেওঁলোকৰ ভিতৰত অন্যতম হ'ল *পিৰেণ্ডেলো (Pirandello)*।'[৭]

তেওঁৰ কাব্যিক দৃষ্টিসম্পন্ন গল্পবোৰ অৱচেতন মনৰ ক্ৰিয়া প্ৰতিক্ৰিয়াৰ প্ৰকাশ ঘটাই এক বিশেষ ধাৰাৰ সৃষ্টি কৰে। ডি.এইচ, লৰেন্স, জেমছ জয়েছ আদিৰ গল্পত এই ধাৰাৰ প্ৰতিফলন হোৱা দেখা যায়।

বিংশ শতাব্দীৰ তৃতীয়-চতুৰ্শ দশকৰ পৰা অৱস্থিতি বাদৰ চিন্তা ধাৰাই এক নতুন ধাৰাৰ জন্ম দিয়ে। অন্তঃসাৰশূণ্য জগতৰ অস্তিত্বহীনতা, মানৱীয় অস্তিত্ব আদি এই গল্পবোৰত প্ৰকাশ পোৱা বিষয় বৈচিত্ৰ জীৱনৰ নেতিবাচক দিশবোৰ প্ৰতিফলিত কৰি জা পল ছাত্ৰেই নতুন ধাৰাৰ গল্প ৰচনা কৰে। তেওঁৰ *'Wall'*নামৰ গল্পটো এনেকুৱা বিষয় বৈচিত্ৰৰে ভৰপূৰ। অৱস্থিতিবাদ আৰু অস্তিত্ব বাদৰ প্ৰতিফলিত হোৱা *'Metamor Phosis'* নামৰ গল্পটোত আধুনিক মানৱ জীৱনৰ অৱচেতন মনৰ ক্ৰিয়া প্ৰতিক্ৰিয়া আদি প্ৰকাশ পোৱা দেখা যায়।

যুদ্ধই সৃষ্টি কৰা মানুহৰ জীৱন ধাৰাই সাহিত্যৰ জগতখনৰো বিশেষ পৰিবৰ্তন আনিলে। অৱস্থিতিবাদৰ নৈৰাশ্যৰ সমান্তৰালকৈ সমসাময়িক জীৱনচেতনাত এক নতুন দৃষ্টিভংগী উন্মেষ ঘটিল। অস্তিত্ববাদৰ বিপৰীত এই জীৱনমুখিতা এই প্ৰতিচ্ছবি পিয়ৰে বোলেৰ *(Pierre Boulle)"The Bridge on the River Uwai,* ৰোমেইন গাৰিৰ *(Romain Gary) "Roots of Heaven"* আদি উপন্যাসত উদ্ভাসিত হৈছে। এই ধাৰাত গল্প লিখি প্ৰখ্যাত হোৱা গল্পকাৰ লৰেন্স ছাৰজেন্ট হলৰ *'The Ledge'* গল্পত এনে *'Tragic Hero'* ৰ অনমনীয়তাকে সুন্দৰকৈ প্ৰকাশ কৰা হৈছে।  ইয়াৰ বাহিৰেও সাম্প্ৰতিক কালত উত্তৰ আধুনিকতাকে ধৰি বিভিন্ন ধাৰাৰ গল্প ৰচিত হৈছে। এই আধুনিক ধাৰাৰ গল্পবোৰে লোকসাহিত্যৰ তথা জ্ঞান-বিজ্ঞানৰ নানা উপাদানৰ সমন্বয়ত বিভিন্ন ৰূপ পৰিগ্ৰহ কৰিছে। এই ধাৰাৰ গল্পকাৰসকলৰ ভিতৰত অন্যতম

হ'ল *আইজাক বেবেল (Issac Babel), ষ্টিফেন ভিনচেন্ট বেনেন্ট (Stephen Vincent Benent) চার্লি জেকচন (Shirley Jackson) ফ্ৰাংক অ কন্নাৰ (Frank O Kanner)* আদি। এওঁলোকৰ চুটিগল্পই পৰম্পৰাগত ভাৱধাৰা পৰিহাৰ কৰি আধুনিক ভাৱ চিন্তাৰে আধুনিক কৌশলেৰে আধুনিক চুটিগল্পৰ সৃষ্টি কৰিবলৈ ধৰে আৰু এই লিখকসকলৰ জৰিয়তেই চুটি গল্পৰ জগতখনত এক নতুন চিন্তা আৰু নতুন আঙ্গিকে নতুন ৰূপ গ্ৰহণ কৰে।

ভাৰতবৰ্ষত ঊনবিংশ শতিকাৰ শেষৰ ফালে সাময়িক পত্ৰিকা আলোচনীৰ পাতত চুটিগল্পৰ জন্ম হয়। উড়িয়া সাহিত্যত ফকিৰমোহন সেনাপতিৰ হাতত *'লচমনীয়া'* নামৰ চুটিগল্পটিৰ জৰিয়তে চুটিগল্পৰ জন্ম হয়। বাংলা সাহিত্যত *'ভাৰতীয়'* নামৰ আলোচনী (বাংলা-১২৮৪)ত প্ৰকাশিত ৰবীন্দ্ৰ নাথ ঠাকুৰৰ *'ভিখাৰিণী'* নামৰ গল্পটোৱেই প্ৰথম চুটি গল্পৰ আমদানি ঘটায়। ইয়াৰ আগতে অৱশ্যে বংকিম চন্দ্ৰৰ *'ইন্দিৰা'* আৰু *'মধুমতী'* নামৰ গল্প প্ৰকাশিত হৈছিল যদিও গল্প দুটাই চুটিগল্পৰ সম্পূৰ্ণ বৈশিষ্ট্য লাভ কৰা নাছিল। ঘাইকৈ বংগৰ গ্ৰাম্য জীৱনৰ সাধাৰণ মানুহৰ সুখ-দুখ, মনোমোহা প্ৰকৃতি আৰু নাগৰিক জীৱনৰ আধাৰত ৰচিত ৰবীন্দ্ৰ নাথৰ গল্পই স্বকীয় বৈশিষ্ট্যৰে আধুনিক বাংলা চুটিগল্পৰ সুদৃঢ় ভেটি নিৰ্মাণ কৰে। হিন্দী সাহিত্যত প্ৰেমচন্দ্ৰই চুটিগল্পৰ দুৱাৰ মুকলি কৰে। প্ৰেমচন্দ্ৰৰ গল্পৰ সংখ্যা প্ৰায় তিনিশ। এই সমূহ *'প্ৰেম, পূৰ্ণিমা, প্ৰেম পঞ্চমী, প্ৰেম দ্বাদশী, প্ৰেম প্ৰতিমা, মানস সৰোবৰ, সমৰ যাত্ৰা, প্ৰেম চতুৰ্থী',* ইত্যাদি নামেৰে সংকলিত হৈছে।

বেজবৰুৱাৰ পৰা আৰম্ভ কৰি বৰ্তমান সময়লৈকে ৰচিত অসমীয়া চুটিগল্পৰ ইতিহাসক সময়ানুক্ৰমে চাৰিটা যুগত ভাগ কৰিব পাৰি। প্ৰাৰম্ভিক যুগ (জোনাকীৰ পৰাৰ ১৯২৯লৈ), আৱাহন যুগ (১৯২৯ৰ পৰা ১৯৪০লৈ), যুদ্ধোত্তৰ যুগ (১৯৪০ৰ পৰা ১৯৭০লৈ), সাম্প্ৰতিক যুগ (১৯৭০ৰ পৰা বৰ্তমানলৈ)।

অসমীয়া সাহিত্যত *'জোনাকী'*ৰ পাততেই চুটিগল্পৰ আগমন ঘটে। জোনাকীত চুটি গল্পই বিশেষ বিস্তাৰ লাভ নকৰিলে যদিও আৱাহনৰ পাতত চুটিগল্পই বিস্তাৰ লাভ কৰিবলৈ সক্ষম হয়। *'আৱাহন'*ৰ পিছত *'ৰামধেনু'*ৰ জৰিয়তেই চুটিগল্পই পূৰ্ণ বিকাশ আৰু বিস্তাৰ লাভ কৰে।

আৱাহন যুগত প্ৰতিষ্ঠিত হোৱা স্নেহ দেৱীয়ে ৰামধেনুৰ যোগেদিহে আত্ম প্ৰকাশ কৰিবলৈ সুযোগ পায়। প্ৰেমধৰ ৰাজখোৱা সম্পাদিত ১৯৫২ চনত প্ৰকাশিত *'সৌমাৰ জ্যোতি'* নামৰ আলোচনীখনত প্ৰকাশিত *'প্ৰয়োজন'* নামৰ কবিতাটোৰ জৰিয়তেই স্নেহ দেৱীয়ে সাহিত্য জগতত আত্ম প্ৰকাশ কৰে। ১৯৫৩ চনত ৰামধেনুত তেখেতৰ প্ৰথম চুটিগল্প *'জোৱাৰৰ পিছত'*

প্ৰকাশ পায়। তেখেতৰ পৰৱৰ্তী সময়ৰ গল্পপুথি কেইখন হ'ল —

১) কৃষ্ণা দ্বিতীয়াৰ জোনাক (১৯৫৮)

২) স্নেহ দেৱীৰ গল্প (১৯৬৬)

৩) স্নেহ দেৱীৰ শ্ৰেষ্ঠ গল্প (১৯৮১)

৪) স্নেহ দেৱীৰ একুঁকি গল্প (১৯৮৮)।

ইয়াৰ উপৰিও বিভিন্ন আলোচনী, কাকত আদিত ভালেমান গল্প প্ৰকাশ পাইছে। স্নেহ দেৱীয়ে ভালে সংখ্যক গল্প ৰচনা কৰে যদিও *'স্নেহ দেৱীৰ ৰচনা সম্ভাৰ'*ত ৮৫টা গল্পহে সংৰক্ষিত হৈছে।

তেখেতৰ কেবাটাও গল্প হিন্দী ভাষালৈ অনূদিত হৈছে। ১৯৮৫ চনত তেওঁৰ *'লতিকা'* গল্পৰ নাট্যৰূপ দিল্লী দুৰদৰ্শন কেন্দ্ৰৰ পৰা হিন্দী ভাষাত প্ৰদৰ্শিত হৈছে। তেখেতৰ *'জননী'* গল্পটো ইংৰাজীত *'মাডাৰ'* নামেৰে অনুদিত হৈছে। স্নেহ দেৱীয়ে গল্প ৰচনাৰ বাবে প্ৰেৰণা পাইছিল বিশেষকৈ তেওঁৰ গল্পই বিভিন্ন ধৰণে স্বীকৃতি পোৱা বাবে।

> "ৰামধেনু" গল্পৰ প্ৰতিযোগিতাত তেওঁৰ 'সূচনা' নামৰ গল্পটোৱে প্ৰথম পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিল।[৮]

১৯৮৭ চনত অসম সাহিত্য সভাৰ পৰা শ্ৰেষ্ঠ অসমীয়া গল্পকাৰ হিচাপে স্নেহদেৱীয়ে 'বাসন্তী বৰদলৈ বঁটা' আৰু ১৯৯০ চনত *'স্নেহ দেৱীৰ এঁকুকি গল্প'* পুথিৰ বাবে সাহিত্য অকাডেমী বটা লাভ কৰিবলৈ সক্ষম হয়।

ৰামধেনু যুগৰ এইগৰাকী মহিলা গল্পকাৰৰ গল্পসমূহকেই আমাৰ গৱেষণাৰ বিষয়বস্তু হিচাপে বাচি লোৱা হৈছে। আমাৰ গৱেষণাৰ বিষয়টোৰ শিৰোনামা হ'ল—

"**স্নেহ দেৱীৰ গল্পত গ্ৰাম্য জীৱন আৰু লোকাচাৰ ঃ এক বিশ্লেষণাত্মক অধ্যয়ন**"।

উক্ত গৱেষণা-গ্ৰন্থখনৰ অধ্যায়সমূহক পাঁচটা ভাগত ভাগ কৰা হৈছে। গৱেষণা গ্ৰন্থখন নিম্নোক্ত ধৰনে সজোৱা হৈছে —

অৱতৰণিকা

১.০০ (প্ৰথম অধ্যায়) ঃ স্নেহ দেৱী আৰু অসমীয়া চুটিগল্প।

২.০০ (দ্বিতীয় অধ্যায়)ঃ স্নেহ দেৱীৰ গল্পত গ্ৰাম্য সমাজ জীৱনৰ চিত্ৰ।

৩.০০ (তৃতীয় অধ্যায়) ঃ স্নেহ দেৱীৰ গল্পত লোকসাংস্কৃতিক উপাদান।

৪.০০ (চতুৰ্থ অধ্যায়) ঃ স্নেহ দেৱীৰ গল্পৰ গ্ৰাম্য নাৰীৰ ভূমিকা।

৫.০০ (পঞ্চম অধ্যায়) ঃ সাম্প্ৰতিক সমাজ জীৱনত স্নেহ দেৱীৰ গল্পৰ গুৰুত্ব।

উপসংহাৰ

সহায়ক গ্ৰন্থপঞ্জী

আলোকচিত্ৰ

**স্নেহ দেৱী আৰু অসমীয়া চুটিগল্প** নামৰ প্ৰথম অধ্যায়টোৰ উপ অধ্যায় হিচাপে চাৰিটা উপ অধ্যায়ত সজোৱা হৈছে। সেইবোৰ নিম্নোক্ত ধৰণৰ —

ক) স্নেহ দেৱীৰ জীৱন

খ) স্নেহ দেৱীৰ সাহিত্যকৃতি

গ) অসমীয়া চুটিগল্পৰ উদ্ভৱ আৰু বিকাশ

ঘ) ৰামধেনু যুগৰ চুটিগল্প আৰু স্নেহ দেৱীৰ জীৱন দৰ্শন।

দ্বিতীয় অধ্যায় **স্নেহ দেৱীৰ গল্পত গ্ৰাম্য সমাজ জীৱনৰ চিত্ৰ**ক মুঠ চাৰিটা উপঅধ্যায়ত ভাগ কৰি আলোচনা কৰা হৈছে। সেইবোৰ নিম্নোক্ত ধৰণৰ —

ক) স্নেহ দেৱীৰ গল্পত গ্ৰাম্য জীৱন

খ) স্নেহ দেৱীৰ গল্পত সমকালীন সামাজিক প্ৰেক্ষাপট

গ) স্নেহ দেৱীৰ গল্পত গ্ৰাম্য চৰিত্ৰৰ চিত্ৰণ

ঘ) স্নেহ দেৱীৰ গল্পত গ্ৰাম্য প্ৰকৃতিৰ চিত্ৰণ

তৃতীয় অধ্যায় **স্নেহ দেৱীৰ গল্পত লোকসাংস্কৃতিক উপাদান** চাৰিটা উপ অধ্যায়ত ভাগ কৰি আলোচনা কৰা হৈছে। সেইবোৰ নিম্নোক্ত ধৰণৰ —

ক) স্নেহ দেৱীৰ গল্পত মৌখিক সাহিত্য

খ) স্নেহ দেৱীৰ গল্পত ভৌতিক সংস্কৃতি

গ) স্নেহ দেৱীৰ গল্পত সামাজিক লোকাচাৰ

ঘ) স্নেহ দেৱীৰ গল্পত লোক পৰিৱেশ্য কলা।

চতুৰ্থ অধ্যায় **স্নেহ দেৱৰ গল্পত গ্ৰাম্য নাৰীৰ ভূমিকা**ক চাৰিটা উপ অধ্যায়ত ভাগ কৰি আলোচনা কৰা হৈছে। সেইবোৰ নিম্নোক্ত ধৰণৰ —

ক) স্নেহ দেৱীৰ গল্পৰ গ্ৰাম্য নাৰী।

খ) স্নেহ দেৱীৰ গল্পত গ্ৰাম্য নাৰীৰ মানসিকতা

গ) স্নেহ দেৱীৰ গল্পত গ্ৰাম্য নাৰীৰ সৰলতা আৰু কুটিলতা

ঘ) স্নেহ দেৱীৰ গল্পত নাৰীৰ সামাজিক মৰ্য্যদা।

পঞ্চম অধ্যায় **সাম্প্ৰতিক সমাজ জীৱনত স্নেহ দেৱীৰ গল্পৰ গুৰুত্ব**ক চাৰিটা উপ অধ্যায়ত আলোচনা কৰা হৈছে। সেইবোৰ নিম্নোক্ত ধৰণৰ —

ক) স্নেহ দেৱীৰ গল্পত সমসাময়িক সামাজিক সমস্যাসমূহৰ প্ৰতিফলন

খ) সাম্প্ৰতিক প্ৰেক্ষাপটত স্নেহ দেৱীৰ গল্পৰ গুৰুত্ব

গ) স্নেহ দেৱীৰ গল্প আৰু নিৰ্বাচিত গল্পকাৰৰ গল্পৰ তুলনামূলক আলোচনা

ঘ) স্নেহ দেৱীৰ গল্পত প্ৰগতিশীল চিন্তা।

এই পাঁচটা অধ্যায়ৰ পিছত 'উপসংহাৰ' প্ৰস্তুত কৰা হৈছে। ইয়াত বিশেষকৈ অধ্যায়সমূহৰ ওপৰত অধ্যয়নৰ সিদ্ধান্তৰ বাখ্যা দাঙি ধৰা হৈছে। স্নেহ দেৱীৰ গল্প অধ্যয়নে আমাৰ মনত জগা নতুন ধ্যান-ধাৰণা সম্পৰ্কে বিশ্লেষণ কৰিবলৈ যত্ন কৰা হৈছে।

উপসংহাৰৰ পিছত সহায়ক গ্ৰন্থপঞ্জীৰ তালিকাখন গ্ৰন্থসমূহৰ নাম, লেখকৰ নাম, প্ৰকাশকৰ নাম, প্ৰকাশৰ চন আদিক ক্ৰম অনুযায়ী সজোৱা হৈছে। গ্ৰন্থপঞ্জী দুটা ভাগত ভাগ কৰা হৈছে — মুখ্য সমল, গৌণ সমল হিচাপে ভাগ কৰি গ্ৰন্থৰ তালিকা, আলোচনী, কাকতৰ তালিকা, ইংৰাজী বা অন্যান্য ভাষাৰ গ্ৰন্থৰ তালিকা আদি ভাগত ভাগ কৰি প্ৰস্তুত কৰা হৈছে।

গ্ৰন্থপঞ্জীৰ পিছত স্নেহ দেৱীৰ স্মৃতি সম্বলিত বিভিন্ন আলোকচিত্ৰ সংযোজন কৰা হৈছে।

আমাৰ এই গৱেষণা-গ্ৰন্থখন উপযুক্ত বুলি বিবেচিত হ'লে আমাৰ শ্ৰম সাৰ্থক হ'ব বুলি আশা ৰাখিছো। লগতে প্ৰচাৰ বিমুখ, নাৰীকেন্দ্ৰিক লেখিকা গৰাকীয়ে অসমীয়া সাহিত্যৰ সংকট কালত যি বিশেষ অৱদানেৰে অসমীয়া সাহিত্যৰ ভৰাঁল চহকী কৰি থৈ গৈছে তাৰ প্ৰতিও কৃতজ্ঞতা জনোৱা হ'ব বুলি আমি আশা কৰো।

**(ক) বিষয়বস্তুৰ উপস্থাপন ঃ**

স্নেহ দেৱী ৰামধেনু যুগৰ গল্পকাৰ। এইগৰাকী নাৰীকেন্দ্ৰীক লেখিকাৰ গল্পসমূহত বিশেষকৈ শিক্ষিতা-অশিক্ষিতা বিভিন্ন নাৰী চৰিত্ৰৰ মাজেৰে নাৰীৰ মনোজগতৰ বিভিন্ন দিশ উন্মোচিত হৈছে। তেওঁ ৰচিত গল্প সম্পৰ্কে বিভিন্ন জনে বিভিন্ন মত পোষন কৰা দেখা যায়। বিশেষকৈ তেওঁৰ গল্পবোৰৰ মাজেৰে প্ৰকাশ পোৱা ভাৱ সম্পৰ্কে সমালোচকে কৈছে যে -

> 'স্নেহ দেৱীৰ গল্পত সাধাৰণতে সংস্কাৰ ধৰ্মী মনোভাৱ আৰু তুচ্ছ জনৰ অন্তৰৰ উচ্চতা আৰু বিশালতা প্ৰকাশ কৰিবলৈ যত্ন কৰা দেখা যায়।'[১]

তেওঁৰ গল্পত প্ৰাত্যাহিক জীৱনৰ সাধাৰণ ঘটনা একোটাৰ মাজেদি আদৰ্শ ৰূপায়ন কৰাৰ আগ্ৰহ চকুত পৰে।

স্নেহ দেৱীৰ গল্প পুথি চাৰিখন-কৃষ্ণা দ্বিতীয়াৰ জোনাক (১৯৫৮), স্নেহ দেৱীৰ গল্প (১৯৬৬), স্নেহ দেৱীৰ শ্ৰেষ্ঠ গল্প (১৯৮১), স্নেহ দেৱীৰ এৰ্কুকি গল্প (১৯৮৮)। তদুপৰি বিভিন্ন আলোচনী, সংবাদপত্ৰ আৰু অপ্ৰকাশিত হৈ ৰোৱা গল্পৰ সংখ্যা ২২টা। অকণিৰ চৰাৰ বাবে নতুন অসমীয়া কাকতত ৯টা গল্প প্ৰকাশ পায়, উক্ত গল্পসমূহ লগ কৰিলে তেওঁৰ সৰ্বমুঠ ৮৫টা গল্প পোৱা যায়।

স্নেহ দেৱীৰ প্ৰায়ভাগ গল্প গ্ৰাম্য সমাজৰ পটভূমিত ৰচিত। সেয়ে তেখেতৰ গল্পসমূহ গ্ৰাম্য সমাজৰ বিভিন্ন লোকাচাৰেৰে পৰিপূৰ্ণ হৈ আছে। তেখেতৰ গল্পসমূহত অসমীয়া সমাজ আৰু সংস্কৃতিৰ এক অপূৰ্ব চিত্ৰণ প্ৰকাশ পোৱা দেখা যায়। স্নেহদেবীৰ গল্পসমূহ পুংখানুপুংখ অধ্যয়ন কৰি তেওঁৰ গল্পৰ পটভূমিত তদানীন্তন গ্ৰাম্য সমাজৰ লগতে প্ৰতিফলিত হোৱা লোকাচাৰৰ বিষয়ে অধ্যয়নৰ যত্ন কৰা হ'ব।

**(খ) গৱেষণা সম্পৰ্কে কৰা অধ্যয়ন সমীক্ষা ঃ**

অসমীয়া সাহিত্যত স্নেহ দেৱীৰ ৰচনা সম্পৰ্কে আলোচনা অতি তাকৰ। তেওঁৰ বিষয়ে গৱেষণাও সৰহ নহয়। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ উদ্যোগত ২০০১ চনত অন্নদা শইকীয়াৰ সম্পাদনাত স্নেহ দেৱীৰ ৰচনা সমূহ একত্ৰিত কৰি *'স্নেহ দেৱী ৰচনা সম্ভাৰ'* নামেৰে প্ৰকাশ কৰা পুথিখনেই তেওঁৰ ৰচনা সম্পৰ্কে জানিবৰ একমাত্ৰ উপায়। ২০০৬ চনত অৰুন্ধতী ৰাজখোৱাই গুৱাহাটী বিশ্ববিদ্যালয়ত *'স্নেহ দেৱীৰ জীৱন আৰু সাহিত্য কৃতি—এটি অধ্যয়ন'* শীৰ্ষক নামকৰণেৰে গৱেষণা কৰা দেখা যায়। ২০১০ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত হেমলতা দেৱীয়ে তেওঁৰ গৱেষণা গ্ৰন্থ— *'ৰামধেনু যুগৰ চুটিগল্পত সমাজ-সংস্কৃতিৰ প্ৰতিফলন— এটি অধ্যয়ন'* শীৰ্ষক গৱেষণা-গ্ৰন্থত স্নেহ দেৱীৰ কিছু কথা আলোচনা কৰিছে। উক্ত বিশ্ববিদ্যালয়ৰ গৱেষিকা প্ৰাপ্তি ঠাকুৰৰ গৱেষণা-গ্ৰন্থ *'ৰামধেনুৰ চুটি গল্প"—বিচাৰ আৰু বিশ্লেষণ'* খনতো স্নেহ দেৱীৰ গল্পৰ কিছু আলোচনা হৈছে।

২০০৩ চনত প্ৰকাশিত ত্ৰৈলোক্য নাথ গোস্বামীৰ *"আধুনিক গল্প সাহিত্য"*গ্ৰন্থত স্নেহ দেৱীৰ গল্পৰ কিছু আলোচনা দেখা যায়। ২০০৮ চনত প্ৰকাশিত প্ৰহ্লাদ কুমাৰ বৰুৱাৰ *'অসমীয়া চুটি গল্পৰ অধ্যয়ন'* গ্ৰন্থতো স্নেহ দেৱীৰ গল্পৰ আলোচনা হৈছে। ২০০৯ চনত অৰবিন্দ ৰাজখোৱা সম্পাদিত— *'অসমীয়া চুটিগল্পৰ গতি-প্ৰকৃতি'* গ্ৰন্থখনতো স্নেহ দেৱীৰ গল্পৰ কিছু আলোচনা হৈছে। ২০১৬ চনত প্ৰকাশিত বিনীতা বৰা দেৱচৌধুৰীৰ গৱেষণামূলক প্ৰবন্ধ সংকলন— *'সাহিত্য চিন্তা'* গ্ৰন্থখনতো স্নেহ দেৱীৰ গল্পসমূহৰ কিছু আলোচনা আছে। হীৰেন দাস সম্পাদিত—

*'অসমীয়া চুটিগল্প—বিৱৰ্তন আৰু বিশ্লেষণ'* (২০১৯) গ্ৰন্থখনতো স্নেহ দেৱীৰ গল্প সম্পৰ্কে কেইটিমান আলোচনা আছে।

স্নেহ দেৱীৰ গল্পসমূহৰ আলোচনা কেইখন মান অসমীয়া আলোচনীটো প্ৰকাশ পোৱা দেখা যায়। ২০১৬ চনৰ তিলক হাজৰিকা সম্পাদিত *'অসমীয়া প্ৰতিদিন (শৰৎ সমগ্ৰ)'* ত প্ৰকাশিত পৰী হিলৈদাৰীৰ *'স্নেহ দেৱীৰ গল্প'* নামৰ প্ৰবন্ধটোত স্নেহ দেৱীৰ গল্প সম্পৰ্কে কিছু কথা আলোচিত হৈছে। ২০১৭ চনৰ *'গৰিয়সী (শাৰদীয় সংখ্যা)'* ত প্ৰকাশিত অৰবিন্দ ৰাজখোৱা ৰচিত—*'স্নেহ দেৱীৰ গল্প, সমকালীন সামাজিক প্ৰেক্ষাপট'* নামৰ প্ৰবন্ধটোত স্নেহ দেৱীৰ কেইটামান গল্পৰ আলোচনা হৈছে। *'গৰিয়সী'* (জুলাই ২০১৯)ত প্ৰকাশিত অনন্যা হিলৈদাৰীৰ—*'নাৰী মনস্তত্ব, সমলিংগবাদ আৰু দুটা অসমীয়া চুটিগল্প'* নামৰ প্ৰবন্ধটোত স্নেহ দেৱীৰ গল্পৰ আলোচনা কৰা দেখা যায়।

ৰামধেনু যুগক প্ৰতিনিধিত্ব কৰা নাৰী লেখিকা হিচাপে স্নেহ দেৱীৰ বিষয়ে গৱেষণা তথা আলোচনা যিমান হ'ব লাগিছিল, তেনে ধৰণৰ হোৱা দেখা নাযায়। নিৰ্দিষ্ট কিছু সংখ্যকেহে তেখেতৰ সাহিত্যৰাজিৰ কিছু আলোচনা আগবঢ়াইছে যদিও সেয়া সংখ্যাত একেবাৰে তাকৰ।

**(গ) গৱেষণাৰ উদ্দেশ্য আৰু লক্ষ্য ঃ**

ৰামধেনু যুগৰ মহিলা গল্পকাৰ হিচাপে প্ৰতিষ্ঠিত হোৱা স্নেহদেৱীৰ গল্প সমূহৰ যিমান অধ্যয়ন হ'ব লাগিছিল সিমান অধ্যয়ন হোৱা দেখা নাযায়। কিছু আলোচনা আছে যদিও সেয়া পৰ্য্যাপ্ত নহয়। এওঁৰ গল্পৰ বিশেষ গৱেষণাও নহ'ল। এগৰাকী স্বকীয় দৃষ্টি সম্পন্ন গল্পকাৰ হিচাবে তেওঁৰ গল্পৰ পুংখানুপংখ অধ্যয়ন আমাৰ গৱেষণাৰ প্ৰাথমিক উদ্দেশ্য। ইয়াৰ বাবে বিভিন্ন শিতানত অধ্যয়নৰ প্ৰাথমিক লক্ষ্য হিচাবে স্থিৰ কৰা হৈছে । যেনে - স্নেহদেৱীৰ জীৱন আৰু সাহিত্য কৃতি, গল্প সমূহত প্ৰতিফলিত গ্ৰাম্য জীৱন ধাৰা, লোক সাংস্কৃতিক উপাদান, গ্ৰাম্য সমাজত নাৰীৰ ভূমিকা আদিক গুৰুত্ব দিয়াৰ ওপৰিও সাম্প্ৰতিক প্ৰেক্ষাপটত তেখেতৰ গল্পৰ গুৰুত্ব সমূহো অধ্যয়ন কৰা হ'ব।

বিশেষকৈ তেখেতৰ চুটি গল্পত পাৰিবাৰিক জীৱনৰ বিচিত্ৰ ঘটনা, বিচিত্ৰ চৰিত্ৰ চিত্ৰণৰ পাৰদৰ্শিতা, গ্ৰাম্য সমাজ জীৱনৰ চিত্ৰণ আৰু লোকাচাৰৰ প্ৰতিফলনক প্ৰতিষ্ঠা কৰা শেষতম লক্ষ্য হিচাপে আমাৰ গৱেষণা কৰ্ম আগবাঢ়ি যাব।

**(ঘ) গবেষণাৰ গুৰুত্বঃ**

অসমীয়া সাহিত্যত চুটিগল্পৰ গুৰুত্ব অধিক । তদুপৰি মহিলা গল্পকাৰৰ হাতত নাৰীৰ বিভিন্ন দিশ উন্মোচিত হয়। ৰক্ষণশীলতাই আৱৰি থকা স্নেহদেৱীৰ সম-সাময়িক সমাজখনত মানুহবোৰৰ ভাৱধাৰা বৰ্তমানতকৈ কিছু হলেও পৃথক আছিল । সেয়ে তদানীন্তন সমাজখনক জনাৰ বাবে স্নেহদেৱীৰ গল্প অধ্যয়নৰ যথেষ্ঠ গুৰুত্ব আছে। বিশেষকৈ মহিলা লেখিকা হিচাপে মহিলাৰ জীৱনধাৰাৰ চিত্ৰণ কৰা গল্পবোৰৰ তদানীন্তন সমাজৰ স্থিতি সম্বন্ধে অনেক তথ্য পোহৰলৈ আহিব বুলি আশা কৰি গৱেষণাৰ বিষয়টো নিৰ্বাচন কৰা হৈছে। আমাৰ এই গৱেষণাৰ দ্বাৰা তেখেতৰ গল্পৰ এক বিশেষ দিশৰ বিশ্লেষণ হ'ব বুলি আশা কৰা হৈছে। গৱেষণা কালত এখেতৰ গল্পৰ অন্যান্য গৱেষণীয় দিশো উন্মোচিত হ'ব বুলি আশা কৰিব পাৰি।

**(ঙ) গৱেষণাৰ প্ৰমেয় ঃ**

স্নেহদেৱীৰ চুটিগল্পৰ গৱেষণামূলক অধ্যয়নৰ বাবে নিৰ্দিষ্ঠ কিছুমান প্ৰমেয় স্থিৰ কৰা হৈছে। তলত সম্ভাব্য প্ৰমেয় কেইটি উল্লেখ কৰা হ'ল -

১। স্নেহদেৱীৰ চুটিগল্প পাৰিবাৰিক জীৱনৰ বিচিত্ৰ ঘটনাৰ সমাহৰণ।

২। স্নেহদেৱীৰ চুটিগল্প গ্ৰাম্য সমাজ জীৱনৰ চিত্ৰ বৰ্তমান ।

৩। স্নেহদেৱীৰ চুটিগল্পত তৎকালীন সমাজত প্ৰচলিত লোকসংস্কৃতিৰ প্ৰতিফলন।

৪। স্নেহদেৱীৰ চুটিগল্পত নাৰী চৰিত্ৰৰ অৱস্থান সুকীয়া ।

৫। সাম্প্ৰতিক প্ৰেক্ষাপটত স্নেহদেৱীৰ গল্পৰ গুৰুত্ব।

৬। স্নেহদেৱীৰ চুটিগল্পৰ বৰ্ণনাশৈলী সহজ-সৰল।

আমাৰ প্ৰস্তাৱিত গৱেষণাত উক্ত প্ৰমেয়ৰ প্ৰতিষ্ঠাই হ'ব গৱেষণা কাৰ্যৰ মূল লক্ষ্য।

**(চ) গৱেষণাৰ পদ্ধতি ঃ**

আমাৰ এই গৱেষণা বিশেষকৈ বিশ্লেষণাত্মক আৰু বৰ্ণনামূলক পদ্ধতি অনুসৰণ কৰা হৈছে। প্ৰয়োজন ভেদে পৰিচয়মূলক, ঐতিহাসিক আৰু তুলনামূলক পদ্ধতিৰ দ্বাৰাও অধ্যয়ন কৰাৰ চেষ্টা কৰা হৈছে।

অধ্যয়নৰ সময়ত পুথিভঁৰাল, সাক্ষাৎকাৰ, ইন্টাৰনেট, ক্ষেত্ৰ অধ্যয়ন আদিৰ দ্বাৰা তথ্য সংগ্ৰহ কৰা হৈছে।

উৎস হিচাপে গৱেষণা কালত দুই ধৰণৰ উৎস লোৱা হৈছে। মুখ্য উৎস আৰু গৌন উৎস। মুখ্য উৎস হিচাপে স্নেহ দেৱীৰ চাৰিখন গল্পপুথি আৰু স্নেহ দেৱীৰ ৰচনা সম্ভাৰখন লোৱা হৈছে। গৌণ উৎস হিচাপে স্নেহ দেৱীৰ গল্প সম্পৰ্কে আলোচনা থকা বিভিন্ন গ্ৰন্থ, সমালোচনা, আলোচনী, পত্ৰিকা আদিৰ সহায় লোৱা হৈছে।

**(ছ) গৱেষণাৰ পৰিসৰ ঃ**

গৱেষণাত এক নিৰ্দিষ্ট পৰিসীমা থাকে। বিশ্ববিদ্যালয়ে নিৰ্দিষ্ট কৰি দিয়া পৰিসীমাৰ ভিতৰত আমাৰ প্ৰস্তাৱিত গৱেষণা কৰ্ম সামৰিবলৈ আমাৰ গৱেষণাৰ বিষয় আৰু পৰিসৰ নিৰ্দ্ধাৰিন কৰা হৈছে । আমাৰ গৱেষণাৰ বিষয়টো হ'ল —***স্নেহ দেৱীৰ গল্পত গ্ৰাম্য জীৱন আৰু লোকাচাৰ ঃ এক বিশ্লেষণাত্মক অধ্যয়ন।***

আমাৰ গৱেষণাৰ পৰিসৰ হিচাপে স্নেহ দেৱীৰ ৰচিত চাৰিখন গল্প পুথি—১) কৃষ্ণা দ্বিতীয়াৰ জোনাক, ২) স্নেহ দেৱীৰ গল্প, ৩) স্নেহ দেৱীৰ শ্ৰেষ্ঠ গল্প আৰু ৪) স্নেহ দেৱীৰ একুঁকি গল্প, পুথি কেইখনৰ আটাইকেইটি গল্পৰ উপৰিও তেওঁৰ বিভিন্ন কাকত, আলোচনীত প্ৰকাশিত মুঠ ৮৫ টা গল্পক অধ্যয়নৰ পৰিসৰ হিচাপে লোৱা হৈছে।

আমাৰ প্ৰস্তাৱিত অধ্যয়নে সৰ্বদিশ সামৰি লব নোৱাৰে। পৰৱৰ্তী পৰ্য্যায়তো যথেষ্ট অধ্যয়নৰ থল থাকিব। বিষয় অধ্যয়নৰ ক্ষেত্ৰত আমি বিভিন্ন জনৰ পৰামৰ্শ গ্ৰহন কৰাৰ উপৰিও তত্বাৱধায়কৰ পৰা বিশেষভাৱে সহায় লোৱা হৈছে। এই গৱেষণাত বিভিন্ন গ্ৰন্থৰ সহায় লোৱা হৈছে, শেষত সংযোজিত গ্ৰন্থপঞ্জীত গ্ৰন্থ সমূহৰ নাম উল্লেখ কৰা হৈছে।

**(ঝ) গৱেষণাৰ সমল ঃ**

এই গৱেষণীয় বিষয়টিৰ অধ্যয়নৰ সমল হিচাবে দুই ধৰনৰ সমল সংগ্ৰহ কৰা হৈছে সেয়া হৈছে মূখ্য সমল আৰু গৌন সমল। মুখ্য সমল হিচাবে তেওঁ ৰচিত গল্প পুথি, লিখনিসমূহ সংগ্ৰহ কৰাৰ লগতে গৌন সমল হিচাবে স্নেহ দেৱী সম্পৰ্কীয় বিভিন্ন গ্ৰন্থ, আলোচনী-পত্ৰিকা আদি সংগ্ৰহ কৰি অধ্যয়ন কৰা হৈছে। বিভিন্ন পুথিভঁৰাল, গ্ৰন্থমেলা আদিৰ পৰা সমল সমূহ সংগ্ৰহ কৰা হৈছে। ইন্টাৰনেটৰ পৰাও বিভিন্ন সমল সংগ্ৰহ কৰা হৈছে। ইয়াৰ উপৰিও স্নেহ দেৱীৰ ব্যক্তিগত জীৱন সম্পৰ্কীয় সমল সংগ্ৰহ কৰিবলৈ ক্ষেত্ৰ অধ্যয়ন কৰাৰ লগতে বিভিন্ন ব্যক্তিক লগ ধৰি প্ৰামাণ্য সমল সংগ্ৰহ কৰা হৈছে। এই গৱেষণা কৰ্মৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয় আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পুথিভঁৰালত সংৰক্ষিত বিভিন্ন গৱেষণা-গ্ৰন্থ নিৰীক্ষণ কৰিও গৱেষণা কৰ্ম কৰা হৈছে।

**প্ৰসঙ্গটীকাঃ**

১. লীলাৱতী শইকীয়া বৰা, ঃ *ভাষা সাহিত্য বিচিত্ৰা*, পৃ.১২৬

২. উল্লিখিত গ্ৰন্থ, পৃ.১২৭

৩. উল্লিখিত গ্ৰন্থ, পৃ.১৩০

৪. লক্ষ্মীকান্ত মহন্ত, ঃ *অসমীয়া সাহিত্য অধ্যয়ন*, পৃ.৪৭০

৫. উল্লিখিত গ্ৰন্থ, পৃ.৪৭৩

৬. উল্লিখিত গ্ৰন্থ, পৃ.৪৭৪

৭. লীলাৱতী শইকীয়া বৰা, ঃ *ভাষা সাহিত্য বিচিত্ৰা*, পৃ.১৩৩

৮. হীৰেন দাস, (সম্পা.) ঃ *অসমীয়া চুটিগল্প বিৱৰ্তন আৰু বিশ্লেষণ*, পৃ.১৫৭

৯. ত্ৰৈলোক্য নাথ গোস্বামী, ঃ *আধুনিক গল্প সাহিত্য*, পৃ.৭৩

# প্রথম অধ্যায়